# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 14-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত হৈ আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত আজি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

০০০০

সাংসদ অজিত কুমাৰ ভূঞাৰ সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰিৰ গোচৰৰ আনুষ্ঠানিক বিচাৰ প্ৰক্ৰিয়া আজিৰে পৰা গুৱাহাটীৰ বিশেষ ন্যায়াধীশৰ আদালতত আৰম্ভ হৈছে। সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে ৰাজ্যসভাৰ অধ্যক্ষৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ নকৰাৰ বাবে তেওঁৰ বিৰুদ্ধে আদালতত এই পৰ্যন্ত গোচৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা নাই বুলি চৰকাৰী পক্ষৰ অধিবক্তাই জনাইছে। এই গোচৰৰ মূল অভিযুক্ত নিলম্বিত অতিৰিক্ত আয়ুক্ত শৰ্মিষ্ঠা বৰা, সহকাৰী আয়ুক্ত হেমন্ত কুমাৰ দত্ত, অভিযন্তা দিগন্ত কলিতা আৰু নিৰ্মাণ সমিতিৰ বিষয়ববীয়া বিশ্বজিৎ ডেকাক আজি বিশেষ আদালতে জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে সাংসদ এলেকা উন্নয়ন পুঁজিৰ কেলেংকাৰি সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে ১৩জন অভিযুক্তৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছিল। এনে অভিযোগনামাৰ ভিত্তিত আদালতে ইতিমধ্যে ১২জনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে সাংসদ এলেকা উন্নযন পুঁজিৰ অধীনত কামৰূপ মহানগৰ জিলাত ৪৪টা পথ নিৰ্মাণৰ আঁচনি লোৱা হৈছিল আৰু ইয়াৰ ভিতৰত ২২খন আঁচনিৰ কাম সম্পূৰ্ণ হয়। ইপিনে, ১৭খন আঁচনিৰ কামৰ কোনো তথ্য লাভ কৰা নহ'ল বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ তদন্তত প্ৰকাশ পাইছে।

০০০০

মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নগাওঁ পৌৰ সভা এলেকাৰ পৰা সংগ্ৰহ কৰা জাবৰ নিষ্কাষণৰ বাবে নিৰ্মাণ কৰি উলিওৱা সামগ্ৰী পুনৰুদ্ধাৰ কেন্দ্ৰটো আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প্ৰকল্পটো নগাওঁ চহৰৰ সমীপৰ কাটিমাৰিত প্ৰায় ৪০ বিঘা ভূমিত নিৰ্মাণ কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত নগগাওঁৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, পৌৰ প্ৰশাসন বিভাগৰ সঞ্চালক টংকেশ্বৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

জনজাতি গৌৰৱ বৰ্ষৰ অংশ হিচাপে আজি শিৱসাগৰ জিলাৰ ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি প্ৰতিষ্ঠানত ৱেল্ডিং আৰু ফেব্ৰিকেচনৰ পাঁচদিনীয়া দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ হৈছে। এই আবাসিক প্ৰশিক্ষণ কাৰ্যসূচীত বহুকেইগৰাকী ছাত্ৰী তথা জনজাতি প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। পেট্ৰ'লিয়াম খণ্ডত দক্ষ মানৱ সম্পদ সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই কাৰ্যসূচী আজি প্ৰতিষ্ঠানখনৰ অধ্যক্ষ ড° হৰিশ হিৰাণীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অ' এন জি চিৰ সদৌ ভাৰত অনুসূচিত জাতি-জনজাতি কৰ্মচাৰী কল্যাণ সন্থাৰ সভাপতি দেম্বিৰাম পাংগিঙে এই পদক্ষেপৰ শলাগ লয়।

০০০০

ধুবুৰী জিলাৰ সামাজিক সংগঠন কল্পজ্যোতি ফাউণ্ডেচনে জিলাখনৰ আঘাতপ্ৰাপ্ত আৰু ৰুগীয়া গৰাকীবিহীন কুকুৰবোৰৰ বাবে আজি এটা আশ্ৰয়গৃহ উদ্বোধন কৰে। ধুবুৰী চহৰৰ তিনি নম্বৰ ৱাৰ্ডত পৌৰসভাৰ কাৰ্যবাহী বিষয়া নম্ৰতা প্ৰদীপ শৰ্মাই প্ৰকৃতিপ্ৰেমী ৰাইজৰ উপস্থিতিত আশ্ৰয়গৃহতো উদ্বোধন কৰে। অনুষ্ঠানত সামাজিক সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি ছায়ন সাহাই কয়, যে আঘাতপ্ৰাপ্ত আৰু ৰুগীয়া পথৰ কুকুৰবোৰক প্ৰথমে পশু চিকিৎসালয়ত চিকিৎসা কৰোৱাৰ পাছত বিশেষ যত্নৰ বাবে আশ্ৰয়গৃহলৈ অনা হ'ব। উল্লেখযোগ্য যে সংগঠনটোৱে ধুবুৰী আৰু গৌৰীপুৰৰ বিভিন্ন স্থানত এনে আশ্ৰয়গৃহ মুকলি কৰি নিদৰ্শন দাঙি ধৰিছে।

০০০০

লৰ্ডছ্ ক্ৰিকেট টেষ্টত ইংলেণ্ডে ভাৰতক ২২ ৰানত পৰাস্ত কৰিছে। আজি খেলৰ পঞ্চম দিনা ভাৰতে আটাইকেইটা উইকেট হেৰুৱাই ১৭০ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ভাৰতক জয়ৰ বাবে ইংলেণ্ডে ১৯৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। এই লক্ষ্য অনুসৰণ কৰি ভাৰতৰ প্ৰায় সকলো বেটছ্মেন ব্যৰ্থ হয়। কেৱল ৰবীন্দ্ৰ জাদেজাই একক প্ৰচেষ্টাৰে খেলখন আগুৱাই নিছিল। ৰবীন্দ্ৰ জাদেজাই ৬১ ৰান কৰে।

০০০০

অহা ২৭ জুলাইৰ পৰা ১৬ আগষ্টলৈকে কোকৰাঝাৰৰ সাই ষ্টেডিয়ামত ৩৬ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তৃতীয়বাৰৰ বাবে আয়োজিত এই প্ৰতিযোগিতাৰ প্ৰাকমুহুৰ্তত ডুৰাণ্ড কাপৰ ট্ৰফীটোৰ সৈতে এটা দলে আজি চিৰাং জিলা পৰিভ্ৰমণ কৰে। এই উপলক্ষে কাজলগাঁৱত সাংসদ জয়ন্ত বসুমতাৰী আৰু চিৰাং জিলা আয়ুক্ত যতীন বৰাই পৰিভ্ৰমণ কাৰ্যসূচীৰ ফ্লেগ অফ কৰে।

০০০০

কোকৰাঝাৰ জিলাৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত কাইলৈ বড়োলেণ্ড চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাজলগাঁও দল কচুগাঁও দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। অনুষ্ঠানত মন্ত্ৰী নন্দিতা গাৰ্লোচা, উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকিব। এই প্ৰতিযোগিতাৰ বিজয়ী দলে ডেৰ লাখ টকা আৰু ট্ৰফী লাভ কৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ